# কৃতজ্ঞতা জ্ঞাপন

সৰ্বপ্ৰথমে আমাক “বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যসমগ্ৰত মাৰ্ক্সবাদী আদৰ্শ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন” শীৰ্ষক বিষয়ত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পিএইচ. ডি. ডিগ্ৰী প্ৰাপ্তিৰ হেতু গৱেষণা কৰিবলৈ দিয়া অনুমতিৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু অসমীয়া বিভাগৰ প্ৰতিগৰাকী শৈক্ষিক সদস্যলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই গৱেষণাকৰ্ম সূচাৰুৰূপে সম্পন্ন কৰাৰ প্ৰতিটো পদক্ষেপতে আমাক সকলো প্ৰকাৰৰ পৰামৰ্শ, নীতি-নিৰ্দেশনা আগবঢ়োৱা তথা উৎসাহ আৰু প্ৰেৰণাৰে মাৰ্গ দৰ্শন কৰোৱা, গৱেষণা গুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান আৰু সহকাৰী অধ্যাপিকা ড° চুমী কলিতা বাইদেউলৈ হৃদয়ভৰা শ্ৰদ্ধা, প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আনুষ্ঠানিকভাৱে গৱেষণা গুৰু নোহোৱা সত্বেও গৱেষণা কৰ্মৰ প্ৰতিটো মুহূৰ্ততে বৌদ্ধিক নিৰ্দেশনাৰে আমাৰ গৱেষণাক সাৰস্বত ৰূপ দিয়াত অকৃপণভাৱে সহায় কৰিছে বিভাগৰ শিক্ষক সন্মানীয় ড° ৰাতুল ডেকা ছাৰে। ছাৰলৈ আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতা আৰু প্ৰণাম জনাইছোঁ।

গৱেষণা কাৰ্যত বিভিন্ন দিহা-পৰামৰ্শৰে বাট দেখুওৱা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° প্ৰদীপ কুমাৰ পাত্ৰ ছাৰ আৰু বড়ো বিভাগৰ অধ্যাপিকা ড° ইন্দিৰা বড়ো বাইদেউক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো।

গৱেষণাকাৰ্যত প্ৰেৰণা, সহায়-সহযোগিতা তথা বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী তথা বৰ্তমান গোৱালপাৰা আমজোঙাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মা ছাৰ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী ড° বিভূতিলোচন শৰ্মা ছাৰ, প্ৰমুখ্যে ড° ডেইজী ৰাণী ডেকা বাইদেউ আৰু দীপামণি বৈশ্য বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ গৱেষণা কৰ্মত বহু ব্যস্ততাৰ মাজতো সময় উলিয়াই আমাক ব্যক্তিগতভাৱে লগ দি বিষ্ণু ৰাভাৰ জীৱনত মাৰ্ক্সবাদৰ স্ফুৰণ, প্ৰতিফলন আৰু প্ৰবাহ সম্পৰ্কে বিস্তৃতভাৱে তথ্য দান কৰিছে ৰাভাৰ সুযোগ্য পুত্ৰ বিশিষ্ট সাংস্কৃতিক শিল্পী তথা বৰ্তমান তেজপুৰ সমষ্টিৰ বিধায়ক

শ্ৰীযুত পৃথ্বীৰাজ ৰাভাদেৱে। বিষ্ণু ৰাভাৰ আন এজন সুযোগ্য পুত্ৰ হেমৰাজ ৰাভাদেৱেও ফোনযোগে আমাক নানান দিহা-পৰামৰ্শ আৰু তথ্যদান কৰি অনুগৃহীত কৰিছে। দুয়োগৰাকী অগ্ৰজকে আমাৰ সাদৰ প্ৰণাম আৰু কৃতজ্ঞতা জনাইছোঁ।

আমাৰ এই গৱেষণা কাৰ্যত বিভিন্ন প্ৰকাৰে দিহা-পৰামৰ্শ আগবঢ়োৱা তথা প্ৰেৰণাৰে আমাক উৎসাহিত কৰা জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুবুং বসুমতাৰী ছাৰ, ড° লীনা শৰ্মা বাইদেউ, ড° ইন্দ্ৰজিৎ বেজবৰুৱা ছাৰ, ড° ৰমেশ বৰা ছাৰ, ড° ডিম্বেশ্বৰ দাস ছাৰ, ড° নয়নজ্যোতি দাস ছাৰ, ড° মনোজ কুমাৰ ডেকা ছাৰ, ৰুমী হাজৰিকা বাইদেউ, ড° বিজু বৰুৱা বাইদেউ, ড° ভনিতা নাথ বাইদেউ, ড° সুনীতা শৰ্মা বাইদেউ আৰু ড° মাধৱ সূত্ৰধৰ দাদালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গোঁসাইগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক, আমাৰ সহোদৰ দাদা চাণক্য বৈশ্যৰ অভিভাৱকত্ব আৰু দিহা-পৰামৰ্শ অবিহনে আমাৰ গৱেষণাই কেতিয়াও পূৰ্ণতা নাপালেহেঁতেন। দাদালৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ।

জীৱনৰ এই পৰ্যায়লৈকে আগবঢ়াই দিয়া দেউতা ঁতুৰা চৰণ বৈশ্য আৰু মা চাৰুপমা বৈশ্যলৈ আমাৰ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ লগতে পৰিয়ালৰ প্ৰতিজন সদস্যৰে স্নেহ আৰু প্ৰেৰণাক শ্ৰদ্ধা জনাইছোঁ।

আমাৰ এই গৱেষণা কৰ্মত সাহস আৰু প্ৰেৰণাৰে উৎসাহিত কৰা পবিত্ৰ, আলোক, দীপাঙ্কৰ, বিশ্বজ্যোতি, পঙ্কজ, মাধৱ, পবিত্ৰ, নৱজ্যোতি, প্ৰাঞ্জল, বিশ্বজিৎ, ৰূপম, ভাস্কৰ, ৰেৱত, হৃষিকেশ, শাৰমিন, দিব্যজ্যোতি, মৃণাল, প্ৰদীপ, কংকন, সবিনয়, বাবলু, গঙ্গাধৰ, জনক সকলোকে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

গৱেষণা গ্ৰন্থখনৰ প্ৰস্তুতিত বিশেষভাৱে সহায় কৰা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম কেন্দ্ৰীয় পুথিভঁৰাল, কোকৰাঝাৰ জিলা পুথিভঁড়াল, জনতা মহাবিদ্যালয় পুথিভঁড়াল, বৰপেটা জিলা পুথিভঁড়াল, মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পুথিভঁড়াল, বৰপেটা-হাউলী মহাবিদ্যালয় পুথিভঁড়াল, নলবাৰী জিলা পুথিভঁড়াল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ কেন্দ্ৰীয় পুথিভঁড়াল, গুৱাহাটী জিলা পুথিভঁড়াল আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা কেন্দ্ৰীয় পুথিভঁড়ালৰ গ্ৰন্থাগাৰিক তথা সমূহ কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন

কৰিলোঁ।

গৱেষণা গ্ৰন্থখনিৰ মুদ্ৰণ আৰু প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা হাচান আলী ডাঙৰীয়াকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই গৱেষণা কাৰ্যত আমাক সহায় কৰা আটাইলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিলোঁ।

গোবিন্দ বৈশ্য

**(গোবিন্দ বৈশ্য)**